# ৬.০ ষষ্ঠ অধ্যায়
# শৰণীয়া-কছাৰীসকলৰ সামাজিক লোকাচাৰ

**৬.১ লোকাচাৰ ঃ**

লোকসংস্কৃতিৰ এটি অন্যতম উপাদান হৈছে লোকাচাৰ। "লোকাচাৰ এনে কিছুমান প্ৰথা আৰু সামাজিক কাৰ্যক্ৰম, যিবোৰ সমাজৰ সদস্যসকলে সমূহৰ বা সমাজৰ অবিৰত স্থিতিৰ বাবে প্ৰয়োজনীয় বুলি ভাবে।" [৮০] সমাজৰ শান্তি-শৃংখলা আৰু একতাৰ ভাৰ প্ৰতিষ্ঠাৰ কাৰণে লোকাচাৰসমূহৰ গুৰুত্ব অসীম। লোকাচাৰে ব্যক্তিগত আচৰণ সুগঠিত আৰু সুগঢ়িত কৰাৰ লগতে সামাজিক গাঁথনি আৰু শৃংখলাও সুদৃঢ় কৰে। দৰাচলতে লোকাচাৰসমূহ পৰম্পৰাগতভাৱে সমাজত চলি থাকে। এই লোকাচাৰসমূহৰ পালনত অনিচ্ছুক হ'লে বা পালন নকৰিলে সমাজৰ চকুত দোষণীয় হৈ পৰে। এই ক্ষেত্ৰত লোকসংস্কৃতিবিদ ড° প্ৰফুল্ল কুমাৰ নাথৰ মন্তব্য প্ৰণিধানযোগ্য -

> " জনৰীতিত যিবোৰ নিয়ম কঠোৰ আৰু ভংগ কৰিলে সমাজৰ চকুত দোষণীয় ৰূপে পৰিগণিত হয়, তেনে আচাৰ আচৰণকেই লোকাচাৰ বুলিব পাৰি।" [৮১]

মেইকবাৰ আৰু পেজৰ মতে -

> "যেতিয়া জনৰীতিবোৰ সিহঁতৰ লগত শুদ্ধ আৰু অশুদ্ধভাৱে সামূহিক কল্যানৰ ভৰাল সংযোগ কৰে তেতিয়া সিহঁত লোকাচাৰলৈ ৰূপান্তৰিত হয়।" [৮২]

লোকাচাৰে মানুহক সামাজিক কৰি গঢ়ি তোলাত সহায় কৰে। সামাজিক ঐক্যতা বৃদ্ধিও লোকাচাৰ পালনৰ জৰিয়তে হয়। সাধাৰণতে লোকাচাৰসমূহ যুক্তি নিৰ্ভৰ নহয়। এইসমূহ পৰম্পৰা আশ্ৰয়ী। কোনো শাস্ত্ৰৰ বিধানৰ দ্বাৰা এইবোৰ আবদ্ধ নহয়। জনসাধাৰণে পৰাম্পৰাগতভাবে চিৰকাল ধৰি পালন কৰি অহা

---

৮০। নাথ, প্ৰফুল্ল কুমাৰ ঃ *অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা*, পৃ. ১৪১

৮১। নাথ, প্ৰফুল্ল কুমাৰ ঃ *উক্ত গ্ৰন্থ*, পৃ. ১৪১

৮২। নাথ, প্ৰফুল্ল কুমাৰ ঃ *উক্ত গ্ৰন্থ*, পৃ. ১৪১

একপ্ৰকাৰ আচাৰ-নীতি, ক্ৰিয়া-কলাপ আদিৰ সমন্বয়ে হৈছে লোকাচাৰ। লোকাচাৰসমূহৰ মাজেৰে জনসাধাৰণৰ ধৰ্মীয়, সাংস্কৃতিক, সামাজিক, আধ্যাত্মিক আদি বিভিন্ন দিশৰ প্ৰকাশ হোৱা দেখা যায়। সদায় গুৰু গোসাঁইৰ নাম লোৱা, সংকটত পৰিলে বা ভয় খালে ঈশ্বৰৰ নাম লোৱা, নতুন গছৰ ফল, খেতিৰ নতুন ফচল গুৰু গোসাঁইলৈ আগবঢ়োৱা, মৃত্যুমুখী জনৰ ওচৰত ধৰ্মশাস্ত্ৰ পাঠ কৰা, মৃতকৰ অস্থি ত্ৰিবেণী সংগমত নিক্ষেপ কৰা , মৃতকৰ উদ্দেশ্যে গয়াত পিণ্ড দিয়া, শপত খোৱা আৰু খুওৱা, কোনো ঠাইলৈ যাত্ৰা কৰিলে পিতৃ-মাতৃ তথা বৰজনক সেৱা কৰি আশীৰ্বাদ লোৱা, অতিথিক শুশ্ৰূষা কৰা আদি বিভিন্ন লোকাচাৰে শৰণীয়া-কছাৰীসকলৰ লোকসংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে।

একোখন সমাজৰ আচাৰ-অনুষ্ঠান বা আচৰণৰ লগত সেইখন সমাজৰ লোকবিশ্বাস বা ধৰ্মীয় বিশ্বাসসমূহ জড়িত হৈ থাকে। অৰ্থাৎ লোক বিশ্বাসসমূহৰ মাজেৰেও এখন সমাজৰ লোকাচাৰসমূহৰ প্ৰকাশ ঘটা দেখা যায়।

শৰণীয়া-কছাৰীসকলৰ সামাজিক লোকাচাৰৰ মাজেৰে শৰণীয়া-কছাৰীসকলৰ বিভিন্ন লোকাচাৰ, লোকবিশ্বাসৰ বৰ্হিপ্ৰকাশ ঘটা দেখা যায়। শৰণীয়া-কছাৰীসকলৰ সামাজিক লোকাচাৰক কেইবাটাও ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। সেইবোৰ হ'ল -

- জন্মকেন্দ্ৰিক লোকাচাৰ
- বিবাহ সম্পৰ্কীয় লোকাচাৰ
- মৃত্যু সম্পৰ্কীয় লোকাচাৰ
- মহিলা সম্পৰ্কীয় লোকাচাৰ
- উৎসৱ-অনুষ্ঠানৰলগত জড়িত লোকাচাৰ
- কৃষিকেন্দ্ৰিক লোকাচাৰ
- লোক-বিশ্বাস

### ৬.১.১ জন্মকেন্দ্ৰিক লোকাচাৰ ঃ

সৃষ্টিকৰ্তাই মানব জাতিলৈ দিয়া শ্ৰেষ্ঠ উপহাৰ হৈছে জীৱন-প্ৰক্ৰিয়া, অৰ্থাৎ জীৱ এটাই মানুহ হিচাপে জন্ম লাভ কৰাটো মানৱ জাতিৰ পক্ষে শ্ৰেষ্ঠ উপহাৰ। এই মানৱ জাতিয়ে বিভিন্ন পৰ্যায় অতিক্ৰম কৰি ভূমিষ্ঠ হয় আৰু বিভিন্ন ক্ৰিয়াৰ মাজেৰে সেই জীৱনৰ ব্যাপ্তি লাভ কৰে।

সন্তান গৰ্ভত থিতাপি লোৱাৰ পৰা ভূমিষ্ঠ হোৱালৈকে আৰু ভূমিষ্ঠ হোৱাৰ পিছৰ পৰ্যায়তো

বিভিন্ন ৰীতি-নীতি, লোকাচাৰেৰে সন্তানটোৰ শ্ৰীবৃদ্ধি কামনা কৰি বিভিন্ন পৰ্ব পতা হয়। এই পৰ্ব বা আচাৰ-বিচাৰসমূহে হৈছে জন্মকেন্দ্ৰিক লোকাচাৰ।

জন্মকেন্দ্ৰিক আচাৰ-বিচাৰ, ৰীতি-নীতিয়েও শৰণীয়া-কছাৰী সমাজখনক এক অন্যতম সমাজ ৰূপে গঢ় দি তুলিছে। সাধাৰণতে জন্মকেন্দ্ৰিক আচৰণসমূহ প্ৰধানত মহিলাসমূহক লৈ জড়িত। সেয়েহে জন্মকেন্দ্ৰিক আচৰণক মহিলাকেন্দ্ৰিক আচৰণ বুলি ক'লেও ভুল কোৱা নহয়। তলত জন্মকেন্দ্ৰিক আচৰণৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল -

১) শৰণীয়া মহিলাগৰাকীয়ে গৰ্ভৱতী হোৱাৰ দিনাৰ পৰা জীৱ-জন্তু, পোক-পৰুৱা হত্যা কৰিব নাপায়। তেনে কৰিলে পেটত থকা সন্তানৰ অমংগল হয় বুলি বিশ্বাস কৰা হয়। মাকৰ লগতে দেউতাকেও সন্তান ভূমিষ্ঠ নোহোৱালৈকে জীৱ হত্যা নকৰে।

২) পাঁচ মাহত গৰ্ভৱতীক দধি, দুগ্ধ, ঘৃত, মধু আৰু চেনী সংমিশ্ৰিত পঞ্চামৃত খুওৱা হয়।

৩) সন্তান গাত থকা সময়ৰ পৰা ভূমিষ্ঠ নোহোৱালৈকে সন্তানৰ মাক আৰু দেউতাকে মৃতকৰ কৰ্মত যাব নাপায়।

৪) মহিলাগৰাকীক মঙ্গলবাৰ, শনিবাৰ, মহিলাগৰাকী আৰু তেওঁৰ স্বামীৰ জন্মবাৰ, কৃষ্ণ পক্ষৰ একাদশী আৰু মৰআঁউসীত পঞ্চামৃত নুখুৱায়।

৫) সাত মাহত গৰ্ভৱতীক পিতৃ পৰিয়ালৰ পৰা জেউৰা খুউৱা হয়। যদিহে কিবা কাৰণত স্বামী পৰিয়ালে জেউৰা খুউৱাব লগা হয় তেন্তে সেই অনুষ্ঠানত পিতৃ পৰিয়ালৰ লোক উপস্থিত থকাটো বাধ্যতামূলক।

৬) জেউৰা খুউৱাৰ দিনা প্ৰথমে গৰ্ভৱতীৰ মাক বা বৌৱেক বা ভনীয়েকে চোতালত আগলতি কলপাত পাৰি মাহ প্ৰসাদ দি শলা-বন্তি জ্বলাই ইষ্ট দেৱতাক স্মৰণ কৰে। তাৰ পিছত জেউৰা খুউৱাৰ আন কামসমূহৰ আৰম্ভ কৰে।

৭) সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগে ধায়ে কেচুৱাটোৰ ওলাই থকা নাড়ীডালৰ নাইটোৰ গুঁৰিত আৱা সূতাৰে বান্ধি গাঁঠিটোৰ ওপৰৰ পিনে কাটি দিয়ে।

৮) কটা নাড়ীখিনি প্ৰসূতি-গৃহৰ দুৱাৰ মুখত নাইবা চোতালৰ পূব দিশত ভালদৰে পুতি থোৱা হয়।

৯) নৱজাতকৰ 'নাই' সৰাৰ পিছত শৰণীয়া-কছাৰীসকলে 'নাইটো' 'পলু'ৰ বাঁহাত ভালকৈ ভৰাই বাকচত থৈ দিয়ে। ইয়াক আয়ুস তোলা বুলি কয়। পৰৱৰ্তী সময়ত কেচুৱাৰ পেটৰ বিষ বা অন্য কিছুমান ৰোগে দেখা দিলে 'নাই' ধুওৱা পানী খুউৱা হয়।

১০) নৱজাতকৰ তিনিদিন, পাঁচদিন, সাতদিন বা তেনে কোনো বিযোৰ দিনত নামকৰণ পৰ্ব কৰা হয়।

১১) পোন্ধৰ দিনত প্ৰসুতিগৰাকীক শুচি কৰি লোৱা হয়।

১২) কাৰোবাৰ সন্তান জন্ম হৈ বাৰে বাৰে মৰি থাকিলে সেই দম্পতীৰ পুনৰ সন্তান জন্ম হ'লে সেই সন্তানটো নমৰিবৰ কাৰণে ভোট (ভুটীয়া) ৰ ওচৰত বিক্ৰী কৰি দিয়ে।

১৩) কেঁচুৱা লৈ ফুৰিবলৈ যাবলগীয়া হ'লে বাটত অপায়-অমংগল নহ'বলৈ ঘৰৰ আধেলা (পানীপচা)ত থু পেলাই সেই থু ভৰিৰ বুঢ়া আঙুলিৰে ঘঁহি হাতৰ আঙুলিৰে লৈ কেঁচুৱাৰ কপালত ফোঁট দিয়ে।

১৪) মাতৃয়ে কেঁচুৱাটো ঘৰত থৈ কৰবালৈ যাবলগীয়া হ'লে উভতি অহাৰ সময়ত পদুলি মুখত তিনিবাৰ থু পেলাই, স্তনৰ পৰা গাখীৰ উলিয়াই দিহে ঘৰত প্ৰবেশ কৰে।

১৫) কেঁচুৱাৰ অসুখ বিসুখ হ'লে কবিৰাজৰ দ্বাৰা শুক্‌তা, বগা বেহাৰ, শুকান জলকীয়া, কপাহ আৰু কাইট অগ্নিত দাহন কৰি ৰাতিপুৱা তিনিদিন ধৰি 'মুখ লগা' কেঁচুৱাৰ বেমাৰ-আজাৰ ভাল হ'বলৈ বুলি মুখ ভাঙে।

১৬) কেঁচুৱা শোৱা গাৰুটোৰ ভিতৰত বগা বেহাৰ আৰু ৰঙা পইচাৰ মুদ্ৰা এটি সুমুৱাই দিয়া হয় যাতে দেও-ভূতে অপায় অমংগল কৰিব নোৱাৰে।

১৭) দূৰ ঠাই ফুৰি অহা মানুহক কেঁচুৱা শোৱা কোঠাত প্ৰৱেশ কৰিব নিদিয়ে। বিশেষকৈ পুৰুষসকলক।

এনেধৰণৰ বিভিন্ন জন্মকেন্দ্ৰিক লোকাচাৰে শৰণীয়া-কছাৰীসকলৰ সংস্কৃতিক এক স্বকীয় বৈশিষ্ট্য প্ৰদান কৰিছে। এই জন্মকেন্দ্ৰিক লোকাচাৰসমূহৰ মূল উদ্দেশ্য এটাই, সেয়া হ'ল সন্তানৰ শ্ৰীবৃদ্ধি কামনা কৰা।

### ৬.১.২ বিবাহ সম্পৰ্কীয় লোকাচাৰ ঃ

শৰণীয়া-কছাৰী সমাজত সাধাৰণতে বিবাহ দুই প্ৰকাৰৰ। এখন বৰ বিয়া আৰু আনখন সৰু বিয়া। সৰু বিয়াক ধোৱনি বা তোলনী বিয়া বুলিও কোৱা হয়। দুয়োখন বিয়াই শৰণীয়া কছাৰী সমাজত অতি গুৰুত্বপূৰ্ণ। দুয়োখন বিয়াত পালন কৰা লোকাচাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

### ৬.১.২.১ সৰু বিয়া বা তোলনী বিয়া ঃ

সৰু বা তোলনি বিয়াৰ আচৰণসমূহে শৰণীয়া-কছাৰী সমাজৰ সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে। ছোৱালী এগৰাকী ঋতুমতী হোৱাৰ লগে লগে প্ৰজনন ক্ষমতাৰ অধিকাৰী হৈ পৰে। সেয়েহে সেই ছোৱালীগৰাকীক বিভিন্ন ৰীতি-নীতিৰ মাজেৰে নতুন জীৱনলৈ আদৰণি জনোৱা হয়। ঋতুমতী

ছোৱালীগৰাকীয়ে বিভিন্ন নীতি-নিয়ম পালন কৰিবলগীয়া হয় এক সুন্দৰ ভবিষ্যতৰ স্বাৰ্থত। শৰীৰলৈ অহা বিভিন্ন শাৰীৰিক পৰিবৰ্তন আৰু ঋতুমতী হোৱাৰ আকস্মিক ঘটনাই ছোৱালীগৰাকীক গহীন আৰু ভাবুক কৰি তোলে। ঋতুমতী হোৱা ছোৱালীগৰাকীয়ে আৰু ঘৰখনে বিভিন্ন আচাৰ-অনুষ্ঠান পালন কৰে অপায় অমংগল নাশ কৰাৰ স্বাৰ্থত। এনেবোৰ আচাৰ-অনুষ্ঠানক বিবাহকেন্দ্ৰিক লোকাচাৰ বুলি ক'ব পাৰি। তেনে কিছুমান হ'ল ---

১) ঋতুমতী হোৱা ছোৱালীগৰাকীক পুৰুষে দেখা নোপোৱাকৈ মহিলাসকলে ঘৰৰ ভিতৰত সুমুৱাই থয়।

২) ঋতুমতী ছোৱালীগৰাকীক প্ৰতিদিনে পুৱা আৰু গধুলি এটি ঘটি বা টেকেলিত পানী লৈ তুলসী পাত বা আমপাত লৈ তিনিবাৰকৈ ছটিয়াই।

৩) ঋতুমতী ছোৱালীগৰাকীয়ে সেই কেইদিন ব্ৰত পালন কৰিব লাগে। ব্ৰতত ফলাহাৰ, ৰুটি, গাখীৰ আদি খাব পাৰে।

৪) সাধাৰণতে ঋতুমতীক পাঁচদিন বা সাতদিনৰ দিনা গা ধুওৱা হয়।

৫) ঋতুমতী হোৱাৰ তিনিদিনৰ দিনা মাকৰ ফালৰ বংশৰ তাত জপা থোৱা হয় আৰু গা ধুওঁৱা দিনা অকুমাৰীৰ মূৰত দি জপা অনা হয়।

৬) ঋতুমতীগৰাকীক ধুওৱাৰ কাৰণে মহিলাসকলে পানী তুলিবলৈ যোৱাটো নিয়ম।

৭) ঋতুমতীগৰাকীক গা ধুৱাবলৈ নিয়া ৰাস্তাটোৰ পিছে পিছে গোবৰ পানী ছটিয়াই ঠাইসমূহ শুচি কৰি লোৱা হয়।

৮) গা ধুৱাবলৈ নিয়া ঋতুমতীগৰাকীক আৰু কলপুলিটোক মাহ হালধি ঘঁহি দিয়া হয়।

৯) নদীৰ পৰা তুলি অনা পানীৰে ঋতুমতীক গা ধুওঁৱা হয়।

১০) গা ধুই অহা ঋতুমতীৰ আগত বিভিন্ন ৰং-ৰহইচ কৰে মহিলাসকলে।

১১) পাঁচ দিনৰ দিনা গা-ধোৱাৰ পিছত ঋতুমতীগৰাকীয়ে গনক বা দৈবজ্ঞৰ তাত দিন চাই হবিষ কৰিব লাগে।

১২) ঋতুমতী হোৱা ছোৱালীগৰাকীৰ গৃহস্থই সখী বিচাৰি লোকৰ অকুমাৰী ছোৱালীৰ অভিভাৱকক এযোৰ তামোল-পাণ দি খাটনি ধৰে। তামোল-পান গ্ৰহণ কৰিলে সন্মতি থকাটো বুজায়।

১৩) তোলনী বিয়াত ঋতুমতীগৰাকীক সখি বান্ধি দিয়াটো বাধ্যতামূলক।

১৪) ঋতুমতীগৰাকীৰ ঘৰলৈ মোমায়েক আৰু সখীয়েকৰ ঘৰৰ পৰা জপা অনাটো নিয়ম।

১৫)  ডাঙৰ বিয়াৰ নিচিনাকৈ ইয়াতো নদী-পুখুৰীৰ পৰা পানীতোলা হয়।

১৬) ঋতুমতীগৰাকী আৰু সখীয়েকে একেলগে কলপুলিৰ গুৰিত পৰস্পৰে পৰস্পৰক তিনিবাৰকৈ পানী ঢলা-ঢলি কৰি গা-ধুৱাই দিয়ে।

১৭) কলৰ গুৰিৰ পৰা আনি দুয়োগৰাকীকে চোতালত বহুৱায়।

১৮) চোতালত থিয় হৈ কইনাজনীয়ে হাতত ঘটি লৈ নিজৰ ঠাইতে তিনিবাৰ ঘুৰে। তাতেই কইনাজনীক বিভিন্ন প্ৰসাধন সামগ্ৰীৰে সজোৱা হয়।

এনেদৰে বিভিন্ন কৰ্মৰ মাজেৰে সৰু বিয়াৰ লোকাচাৰসমূহ পালন কৰা হয়।

**৬.১.২.২ ডাঙৰ বিয়া ঃ**

বিবাহ এক সামাজিক অনুষ্ঠান। “বিবাহ মানে মানৱ সমাজৰ শান্তি আৰু কল্যাণ কামনাৰে সভ্য সামাজিক বিধি সন্মত ভাবে কন্যাৰ দায়বদ্ধতা দেউতাকৰ পৰা দৰালৈ হস্তান্তৰ কৰা।” [৮৩]
বিবাহৰ জৰিয়তে দুটা দেহৰ মিলনৰ উপৰিও দুটি আত্মাৰ, দুখন ঘৰৰ আৰু দুখন সমাজৰ মিলন ঘটে। সেয়েহে বিবাহ অনুষ্ঠানৰ গুৰুত্ব আৰু ভুমিকা সমাজত সামাজিক অনুষ্ঠান হিচাপে অধিক।

বিভিন্ন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ বহিৰ্প্ৰকাশ ঘটে এই বিবাহ অনুষ্ঠানৰ জৰিয়তে। ৰীতি-নীতিৰ মাজেৰে বিবাহ অনুষ্ঠানে বিভিন্ন পৰ্যায় পায়।

শৰণীয়া-কছাৰী সমাজতো বিবাহ অনুষ্ঠানৰ জৰিয়তে বিভিন্ন ৰীতি-নীতি পালন কৰে। সাধাৰণতে শৰণীয়া-কছাৰী সমাজত ৬ প্ৰকাৰৰ বিবাহ পদ্ধতি দেখা যায়। সেইবোৰ হ’ল -- প্ৰজাপত্য, মাল্যবৰণ, গন্ধৰ্ব, ঘৰজোঁৱাই, ছোৱালী গা যাচি অহা বিবাহ আৰু পলুৱাই নিয়া বিবাহ। পুৰনিকালত “শৰণীয়া-কছাৰী সমাজত ঢকা বিয়া, বান্দৰ বিয়া, শালক বিয়া আদি বিবাহ পদ্ধতিৰ প্ৰচলন থকাৰ কথা গম পোৱা যায়।” [৮৪]

সোনবৰ বৰুৱাৰ মতে শৰণীয়া-কছাৰী সমাজত প্ৰচলিত বিবাহৰ প্ৰকাৰসমূহ এনে ধৰণৰ -

১) বৰ বিয়া বা সামাজিক বিয়া

২) গান্ধৰ্ব বিয়া

---

৮৩। বৰুৱা, সোনবৰ ঃ *শৰণীয়া কছাৰীৰ বিবাহ পদ্ধতি*, পৃ. ১

৮৪। বৰুৱা, সোনবৰ ঃ *উক্ত গ্ৰন্থ*, পৃ. ২

৩) ঘৰজীয়া বিয়া

৪) গা-যাচা বিয়া

৫) পলুৱাই নিয়া বিয়া

শৰণীয়া-কছাৰীসমাজত বিবাহ সম্পৰ্কে অনেক লোকাচাৰ থকা দেখা যায়। বিভিন্ন লোকাচাৰৰ মাজেৰে তেওঁলোকৰ বিবাহ অনুষ্ঠানৰ সামৰণি পৰে। তেওঁলোকে বিয়া উপলক্ষে পালন কৰা কিছুমান লোকাচাৰ তলত উল্লেখ কৰা হ'ল -

১)"ঘটকৰ জৰিয়তে বিবাহ উপযোগী দৰা-কইনাৰ খবৰ কৰা হয়। ঘটকক তেওঁলোকে ফাংগা বোলে।"[৮৫]

২) বিয়াৰ দিন-বাৰ ঠিক কৰিবৰ কাৰণে লৰা পক্ষই ছোৱালী পক্ষৰ ঘৰলৈ গাখীৰ, চিৰা, চাউল, দৈ, নাৰিকল তামোল, পান আদি সামগ্ৰীৰে এখন ভাৰ নিয়ে। ইয়াক খাটিৰা ভাৰ বোলে।

৩) বিয়াৰ আগদিনা জোৰণত দৰা পক্ষৰ পৰা কইনা পক্ষৰ ঘৰলৈ জোৰণত ভাৰ নিয়া হয়। বিভিন্ন প্ৰসাধনৰ সামগ্ৰীৰ উপৰিও আন বহুতো উপকৰণ নিয়ে। কোনো ঠাইত সেইদিনাখনে দৰা পক্ষৰ কাৰোবাৰ হতুৱাই কইনাৰ শিৰত সেঁন্দুৰ দিয়া হয়। আগতে বিয়াৰ আগে আগে আঙুঠি পিন্ধোৱা, খাতিৰা ভাৰ, ফোঁটদিয়া আদি অনুষ্ঠানসমূহ আছিল যদিও সময়ৰ নাটনিৰ কাৰণে বিভিন্ন পৰ্ব লোপ পাই আহিছে।

৪) বিয়াৰ আগদিনা দৰা-কইনা উভয়ে অধিবাস খাটিব লাগে।

৫) বিয়াৰ আগৰ দিনটোত অধিবাস আৰু পূজাৰ অনুষ্ঠান কৰে শৰণীয়া-কছাৰীসকলে। অধিবাস অনুষ্ঠানৰ দ্বাৰা দৰা আৰু কইনাক পবিত্ৰ কৰাই সাত্ত্বিক মনৰ অধিকাৰী হ'বলৈ প্ৰস্তুত কৰি তোলা হয়।

৬) বিবাহ অনুষ্ঠানৰ আন এটি লোকাচাৰ পৰ্ব হৈছে পানী তোলা অনুষ্ঠান। তোলা পানীৰে দৰা-কইনাক গা ধুওৱা হয়।

৭) দৰা-কইনাক গা ধুৱাই চোতালত বহুৱাই থোৱাৰ পিছত কলৰ গুৰিৰ পৰাই মহিলাসকলে সুৱাগ জাৰিব যোৱাতো এক প্ৰকাৰৰ লোকাচাৰ।

৮) কইনাৰ বিয়াৰ দিনা কইনাৰ সৰু ভায়েকে আখৈ তোলা নিয়ম।

৯) দৰা ঘৰলৈ আহোঁতে কইনাই আধিলা (পানীপচা)ত ওলোটাকৈ থৈ দিয়া মাটিৰ নতুন চাকিটো চুব লাগে। দৰাই আকৌ সোভৰিৰে গচকি ভাঙি থৈ যাব লাগে। বিশ্বাস কৰা হয় যে মাটিৰ চাকিৰ ভঙা টুকুৰাবোৰে বংশ বৃদ্ধি কৰে।

---

৮৫। বৰুৱা, সোনবৰ ঃ *প্ৰাগুক্ত গ্ৰন্থ*, পৃ. ৭

১০) বিয়াৰ পিছদিনা কইনা দৰাঘৰলৈ অহাৰ পাছত আনুষ্ঠানিক ক্ৰিয়া সম্পাদন কৰি গৃহপ্ৰৱেশ কৰোঁতে দৰাজনে কইনাৰ খোপাত কণিষ্ঠ আঙুলিৰে চুই যাব লাগে আৰু প্ৰৱেশ দ্বাৰত ওলোটাকৈ থৈ দিয়া মাটিৰ চাকি এটা দৰাজনে ভৰিৰে ভাঙি থৈ যাব লাগে।

১১) বিয়াৰ আঠদিনৰ মূৰত আঠমঙলা পতাটো এটা নিয়ম।

১২) প্ৰথম কইনা চাবৰ দিনা দৰাঘৰীয়া লোকক কইনা পক্ষই আহাৰৰ লগত কনী খাবলৈ নিদিয়ে। কনী খালে নৱদম্পতী হালৰ লৰা-ছোৱালীৰে ঘৰ নভৰে বুলি বিশ্বাস কৰে।

এনেদৰে বিভিন্ন ক্ৰিয়া-কৰ্মৰ মাজেৰে বৰ বিয়া অনুষ্ঠানটিৰ সামৰণি মৰা হয়।বৰ বিয়া আৰু সৰু বিয়া অনুষ্ঠান দুটিৰ মাজত প্ৰচলিত লোকাচাৰসমূহে অনুষ্ঠান দুটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে শৰণীয়া-কছাৰীসকলৰ লোকসংস্কৃতিৰ ভঁৰালো চহকী কৰি তুলিছে।। তদুপৰি এই লোকাচাৰসমূহৰ মাজত বহুতো বিজ্ঞানসন্মত দৃষ্টিভংগী সোমাই থকা দেখা যায়। এক অৰ্থত এই লোকাচাৰসমূহক শৰণীয়া-কছাৰী সমাজৰ আংশিক দাপোন বুলি কব পাৰি।

**৬.১.৩ মৃত্যু সম্পৰ্কীয় লোকাচাৰ ঃ**

মৃত্যুৰ পিছত প্ৰতিটো জীৱহীন শৰীৰৰ অৱস্থা একেই হ'লেও জাতি আৰু ধৰ্ম ভেদে মৃত্যু সম্পৰ্কীয় আচাৰ-অনুষ্ঠানসমূহৰ মাজত ভিন্নতা থকা দেখা যায়। শৰণীয়া কছাৰীসকলৰ মাজতো মৃত্যু সম্পৰ্কীয় বিভিন্ন লোকাচাৰ আছে। তলত সেইবোৰৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল -

১) কোনো ব্যক্তিৰ মৃত্যু হোৱাৰ পিচত মৃতদেহ বাহিৰলৈ নুলিওৱাকৈ প্ৰথমে জ্ঞাতি-ভাগীসকলক খবৰ দিয়ে।

২) শৰণীয়া কছাৰীসকলে ঘৰৰ ভিতৰত মানুহৰ মৃত্যু হ'লে মৃতকৰ আত্মাই শান্তি লাভ কৰে বুলি বিশ্বাস কৰে কাৰণে মৃত্যুমুখী মানুহজনক বাহিৰলৈ নুলিয়ায়। ভিতৰতে জীৱনৰ শেষ উশাহটো লব দিয়ে।

৩) মৃতকক দুই ধৰনে সৎকাৰ কৰে। গাঁত খান্দি পুতি থয় আৰু দাহ কৰে। অৱশ্যে বৰ্তমান দাহ কৰা প্ৰথাৰে প্ৰচলন অধিক।

৪) মৃতকক গাঁত খান্দি পুতি থোৱা আৰু দাহ কৰাৰ ক্ষেত্ৰত কৰিবলগীয়া নীতি-নিয়মৰ ক্ষেত্ৰত বহুখিনি সাদৃশ্য আছে যদিও তাৰ মাজত কিছু কিছু অমিল আছে। মৃতদেহটো শ্মশানলৈ নিয়াৰ আগমুহূৰ্তত কৰা কামবোৰ একে। অৱশ্যে গাঁত খান্দি পোতাৰ ক্ষেত্ৰত কোনো কোনো ঠাইত মৃতকক চাউলৰ পানী খুৱায়। "এটা বাটিত পানী আৰু কেইটামান আলাচাউল (অকাৰি চাউল)দি পইচা (মুদ্ৰা)ৰে বা পাটিৰ পৰা পানী

লৈ মৃতকৰ ওঠত লগাই দিয়ে। ইয়াকে চাউল পানী বা অগ্ৰা পানী খুওৱা বুলি কয়।”[৮৬]

৫) মৃতদেহটো চোতালত থোৱাৰ বাবে চোতালৰ মোচা ঠাইখিনিত তিনিটুকুৰা কলগছক দুফালকৈ ফলাই ছয়ফাল কৰি পাৰি দিয়া হয়।

৬) কলগছৰ ওপৰত সুন্দৰকৈ বগা কাপোৰ পাৰি মৃতদেহটো উত্তৰ-দক্ষিণ দিশে শুৱাই থোৱা হয়।

৭) মৃতকক হাত-ভৰি ধুৱাই সুগন্ধি তেল বা মিঠাতেল ঘহাই দিয়ে। সাধবা হলে সেন্দুৰ পিন্ধাই দিয়ে।

৮) পৰিয়াল আৰু আত্মীয়- স্বজনে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পিছত মৃতদেহ শ্মশানলৈ নিয়ে।

৯) মৃতকক শ্মশানলৈ নিয়াৰ মুহুৰ্তত এটা ধানখেৰৰ জুমুঠি তৈয়াৰ কৰা হয়। ঠাই বিশেষে জুমুঠিটোক জুকুণ্ডা বোলে। জুমুঠিটো শৱদেহৰ লগতে শ্মশানলৈ নিয়া হয় আৰু দাহ কৰা শেষ হোৱাৰ পিছত জুমুঠিটো ঘৰলৈ অনা হয়। জুমুঠিটো জুইৰে সৈতে দহা কাৰ্য শেষ নোহোৱালৈকে জ্বলাই ৰখাটো নিয়ম। আজিকালি অৱশ্যে জুমুঠিৰ পৰা জুইকুৰা লেমত ধৰি ৰখাৰ ব্যৱস্থা কোনো কোনো অঞ্চলত কৰা দেখা যায়।

১০) শৰণীয়া-কছাৰী সমাজত আত্মহত্যা কৰা লোক, সৰ্পই দংশন কৰা লোক, অস্বাভাৱিক মৃত্যুবৰণ কৰা লোক তথা সৰু লৰা-ছোৱালীক এতিয়াও গাঁত খান্দি পুতি থোৱা হয়।

১১) মৃতকক মুখাগ্নি বৰ পুত্ৰ বা সৰু পুত্ৰই কৰাটো নিয়ম। যি জনে মুখাগ্নি কৰিব তেৱেঁই কাম ধৰিব লাগে।

১২) মৃতকৰ অস্থি সংগ্ৰহ কৰাৰ ক্ষেত্ৰতো কিছুমান লোকাচাৰ দেখা যায়। শৱদাহ সম্পূৰ্ণ হোৱাৰ পিছত মাটিৰ কলহৰ পানীৰে জুই নুমুৱাই তাৰ পৰা এটুকুৰা অস্থি বা হাড় সংগ্ৰহ কৰা হয়। সংগ্ৰহ কৰা অস্থিখিনি ঘৰলৈ আনি দহা কৰ্মৰ দিনা ব্যৱহাৰ কৰা হয়। দহা শেষ হোৱাৰ পিছত অস্থিখিনি নদীত বিসৰ্জন দিয়া হয় যদিও কোনো কোনোৱে গঙ্গা, পুৰী, যমুনা আৰু ব্ৰহ্মপুত্ৰৰ দৰে পবিত্ৰ বুলি জ্ঞান কৰা নদীৰ পানীত বিসৰ্জন দিয়ে।

১৩) মৃত্যুৰ তিনিদিনলৈকে পৰিয়ালৰ লোকে উপবাসে থাকে। তিনিদিনৰ দিনা তিলনি পতা হয়। সেইদিনাখন কাপোৰ-কানি ধুই, ঘৰ-দুৱাৰ মচি শুচি হয়। সেইদিনাৰ পৰা মৃতকৰ পৰিয়ালে লঘোন ভাঙে আৰু চাহ বিস্কুত খায়।

১৪) চতুৰ্থ দিনাৰ পৰা শ্ৰাদ্ধ শেষ নোহোৱালৈকে কাম ধৰা লোকজনে আৰু পৰিয়ালৰ আন-আন সদস্যই সন্ধিয়াৰ আগে আগে হবিচ ভাত খায়, যত চাউল, আলু , কল আদি থাকে।

---

৮৬। ৰাভা হাকাচাম, বাবু ঃ *শৰণীয়া-কছাৰী লোক-সাহিত্য*, পৃ. ২৫৬

১৫) মৃত্যুৰ দহদিনৰ দিনা দহা পালন কৰা হয়। দহাৰ দিনাও ঘৰ-দুৱাৰ সাৰি মচি কাপোৰ-কানি ধুই পবিত্ৰ হয়। দহাৰ দিনাই মৃতকক পিণ্ড দিয়া হয়। কল, চাউল, ঘি, মৌ, চেনী, গুৰ আদিৰ মিশ্ৰণেৰে পিণ্ড তৈয়াৰ কৰা হয়। পিণ্ডখিনি দহ ভাগ কৰি মৃতকক পিণ্ড দহ বাৰ দিয়া হয় আৰু দেউৰীৰ স্বকীয় নীতি নিয়মেৰে পূজা কৰাৰ পিছত পিণ্ডখিনি পানীত বিসৰ্জন দিয়া হয়। পূজাৰ অন্তত মাটিত পুতি থৈ দিয়া অস্থিখিনি সেইদিনাই পানীত বিসৰ্জন দিয়া হয়। কোনোৱে সুবিধা চাই পিছলৈ থৈ দিয়ে।

১৬) মৃতকৰ প্ৰতি শ্ৰদ্ধা জনাই মৃত্যুৰ বাৰ বা তেৰ দিনৰ দিনা শ্ৰাদ্ধ পতা হয় আৰু সেইদিনা গাঁৱৰ ৰাইজক ভোজ ভাত খুওৱা হয়। শ্ৰাদ্ধৰ দিনা মৃতকক ভাত দিয়া হয়, যাক 'মৰাক বঢ়োৱা' অনুষ্ঠান বুলি শৰণীয়া-কছাৰীসকলে কয়। মৰাক বঢ়োৱাৰ দিনা মৃতকক তেওঁ ভাল পোৱা  বিভিন্ন বস্তুৰে আপ্যায়ন কৰা হয়। সেইদিনাখন তাতে শলা বন্তি জ্বলাই নৈবেদ্য দিয়া হয়।

১৭) কোনো কোনো অঞ্চলত ভোজ ভাতৰ লগত শুকান মাছৰ সৈতে সিজোৱা শুকোতাৰ আঞ্জা খুৱায়। ইয়াক মাছ চোৰনিও বোলে।

১৮) কোনো অঞ্চলত শৰণীয়া সমাজে দহাৰ পৰা শেষ দিনলৈকে শুকোতা ব্যৱহাৰ কৰে।

১৯) শ্ৰাদ্ধৰ দিনাৰ পৰা জ্ঞাতি ভাগীসকলে মাছ-মাংস খাব পায়, তেল চাবোন লব পায়।

২০) মৃতকৰ স্মৃতিৰ কাৰণে প্ৰতিবছৰে তিথি অনুযায়ী শ্ৰাদ্ধ পতা নহয় যদিও তিনি বছৰলৈ শ্ৰাদ্ধ পতাটো নিয়ম।

২১) ছয় মাহত মৃতকৰ উদ্দেশ্যে শ্ৰাদ্ধ পতা হয় আৰু এক বছৰৰ মূৰত তিথি অনুযায়ী শ্ৰাদ্ধ পতা হয়। এনেদৰে বিভিন্ন ক্ৰিয়া কৰ্মৰ মাজেৰে মৃত্যু সম্পৰ্কীয় প্ৰকৰণৰ সামৰণি মৰা হয়।

**৬.১.৪ মহিলা সম্পৰ্কীয় লোকাচাৰ ঃ**

মহিলাকেন্দ্ৰীক আচৰণৰ বিষয়ে লিখিবলৈ যোৱাটো ইমান সহজসাধ্য নহয়। কিয়নো এখন সমাজৰ অৰ্ধসংখ্যক কাম মহিলাৰ দ্বাৰাই সমাপন হয়। সন্তান জন্ম দিয়াৰ পৰা প্ৰতিপালন কৰি ডাঙৰ দীঘল কৰালৈকে মহিলাৰ ভুমিকা অপৰিসীম। সেয়েহে মহিলাক কেন্দ্ৰ কৰিয়ে বহুতো নীতি নিয়ম, আচাৰ-ব্যৱহাৰ গঢ়ি উঠাটো স্বাভাৱিক। তাৰে কিছু সংখ্যক যুক্তিনিষ্ঠ আৰু কিছুমান যুক্তিহীন। তথাপিও মহিলাকেন্দ্ৰিক আচৰণ বুলি ক'লে সন্তান জন্ম দিওঁতে পালন কৰিবলগীয়া আচৰণসমূহো অতি গুৰুত্বপূৰ্ণ। জন্মকেন্দ্ৰিক আচৰণৰ উপৰিও বিবাহৰ লগত জড়িত আচৰণ আৰু আন আন ধৰ্মীয়, সামাজিক আচৰণো মহিলাকেন্দ্ৰিক আচৰণৰ অৰ্ন্তভুক্ত।

পূৰ্বে উল্লিখিত জন্ম আৰু বিবাহ সম্পৰ্কীয় আচৰণৰ বাহিৰেও আন কিছুমান মহিলাকেন্দ্ৰিক আচৰণো আছে। সেইবোৰ হ'ল----

১) মাহেকীয়া ঋতুচক্ৰৰ সময়ত মহিলাগৰাকী সাধাৰণতে অসূৰ্যস্পৰ্শ হৈ থাকিব লাগে। আজিকালি অৱশ্যে ইয়াৰ ব্যতিক্ৰম হোৱা দেখা যায়।

২) ঋতুমতী হলে তিনিদিনৰ দিনা সূৰ্য অস্ত যোৱাৰ আগে-আগে দুপৰীয়া ৰন্ধা ভাত খাই, ৰাতিৰ সাজ নোখোৱাকৈ থাকি লঘোণ দিয়ে।

৩) ঋতুচক্ৰৰ চাৰিদিনলৈ মহিলা গৰাকীয়ে ডাঙৰক চুব নাপায়।

৪) পাঁচদিনৰ দিনা একেই নিয়মেৰে পাঁচদিনীয়া লঘোন দিয়ে।

৫) ঋতুমতী তিৰোতাই যি কোনো খুৰা লগোৱা আসন যেনে- পীৰা, চকী, বেঞ্চ আদিত বহিব নোৱাৰে আৰু বহিলেও পানীৰে ধুই দিব লাগে।

৬) শুই থাকোতে মাটিত শয্যা কৰি শুব লাগে। বিচনাত শুলেও তিনিদিনৰ দিনা সকলো পানীৰে ধুই শুচি কৰিব লাগে।

৭) এই তিনিদিনত কাৰোবাৰ পৰা কিবা বস্তু ললে হাতে-হাতে স্পৰ্শ নকৰাকৈ দিব লাগে। কিবা কাৰণত স্পৰ্শ হলে চুৱা যোৱা বুলি কয় আৰু চুওতাজনে গা-ধুই আহিব লাগে।

৮) ঋতুমতী হৈ থকা কেইদিনত ধৰ্মীয় কাৰ্যত অংশগ্ৰহণ কৰিব নোৱাৰে।

৯) গিৰীয়েকৰ সংস্পৰ্শলৈও আহিব নাপায়।

১০) বিভিন্ন ধৰ্মীয় লোক উৎসৱত মহিলাগৰাকীৰ ভূমিকা অসীম। আইৰ নাম, সুবচনী নাম, বাটৰ পূজা, ভকত সেৱা পৰম্পৰা আদিবোৰত মহিলাই উপবাস থাকিব লাগে।

এনেদৰে বিভিন্ন লোকাচাৰসমূহে মহিলা গৰাকীক সমাজখনৰ ভিতৰতে অধিক গুৰুত্বপূৰ্ণ কৰি তোলে।

**৬.১.৫ উৎসৱ-অনুষ্ঠানৰ লগত জড়িত লোকাচাৰ ঃ**

বিভিন্ন ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ উৎসৱ অনুষ্ঠানক কেন্দ্ৰ কৰিও বিভিন্ন লোকাচাৰ গঢ়ি উঠা দেখা যায়। এই ধৰ্মীয় লোকাচাৰসমূহে জনসাধাৰণক সুশৃঙ্খলিত হবলৈ শিকোৱাৰ লগতে জনসাধাৰণক ধৰ্মপ্ৰাণ কৰি তোলে। ধৰ্মীয় লোকাচাৰসমূহ সমাজৰ প্ৰতিজন সদস্যই মানি চলিলে সমাজৰ পৰা অপায় অমংগল নোহোৱা হ'ব লগতে সমাজখনো সুশৃঙ্খলিত হৈ পৰিব। তদুপৰি ধৰ্মনিৰপেক্ষ লোকাচাৰসমূহেও সমাজখন সুদৃঢ়ৰূপে গঢ় দিয়াত সহায় কৰে। তলত শৰণীয়া-কছাৰী সমাজে পালন কৰা উৎসৱ অনুষ্ঠানকেন্দ্ৰীক

লোকাচাৰৰ বিষয়ে উল্লেখ কৰা হ'ল -

**বাঁহগোঁসাই উৎসৱ কেন্দ্ৰিক লোকাচাৰ ঃ**

শৰণীয়া-কছাৰীসকলৰ মাজত জাতীয় উৎসৱ হিচাপে পৰিগনিত হোৱা বাঁহগোঁসাই উৎসৱ হৈছে এটি উল্লেখযোগ্য কৃষিভিত্তিক লোক উৎসৱ। এই উৎসৱক কেন্দ্ৰ কৰি বিভিন্ন লোকাচাৰ পালন কৰা হয়।

১) বাঁহগোঁসাই উৎসৱৰ দিনা প্ৰতিঘৰ মানুহে চোতাল-ঘৰ সাৰি-মচি পবিত্ৰ হৈ লয়।

২) বাঁহগোঁসাই উৎসৱৰ কাৰণে যিগৰাকী দেউৰী আৰু সহযোগীয়ে বাঁহ কাটিব যাব, তেওঁলোকে বাঁহ কাটিব যোৱাৰ আগদিনা অধিবাস খাটিব লাগে।

৩) বাঁহগোঁসাই গোঁসাইঘৰত প্ৰৱেশ কৰাৰ পিছত দেউৰী আৰু সংগী দুজনে বগা জামা, চঙাৰ আদি পিন্ধায়। ৰাইজে গামোচা, মোক্‌চা, ৰুমাল আদি বাঁহডালত গাঁঠি দিয়ে।

৪) বাঁহগোঁসাইক সবি ফুৰাবলৈ নিওতে প্ৰথমতে দেউৰী বা গাঁওখনৰ মুখিয়াল ব্যক্তিৰ ঘৰলৈ নিয়া হয়। তাৰ পিছতহে ৰাইজৰ ঘৰলৈ নিয়ে।

৫) গৃহস্থই নতজানু হৈ আশীৰ্বাদ লৈ থকাৰ সময়ত ভক্তপ্ৰাণ ৰাইজৰ কোনোবা এজনে পদূলিত পাৰি দিয়া চেলেং চাদৰ গৃহস্থৰ মূৰৰ ওপৰেৰে তিনিবাৰ নি আশীৰ্বাদ দিয়ে।

৬) বাঁহগোঁসাই আদৰি নিয়া ঠাইৰ পৰা চোতাললৈ গৃহস্থই এখন চেলেং চাদৰ পাৰি দিয়ে।

৭) বাঁহগোঁসাই উৎসৱৰ সামৰণিৰ দিনা বাঁহডাল গোঁসাইঘৰৰ আতালত তুলি থোৱা হয় অথবা গোঁসাইঘৰৰ খুটাত সংলগ্ন কৰি থোৱা হয়।

৮) ঠাই বিশেষে বাঁহগোঁসাইক পানীত উটোৱাই দিয়া হয়।

**চোৰ পূজাৰ লোকাচাৰ ঃ**

১) চোৰ পূজাৰ কাৰণে পূজা কৰা ঠাইখিনি সাৰি-মচি পবিত্ৰ কৰি থোৱা হয়।

২) চোৰ পূজাত পাঁচখন আহান পাতে।

৩) প্ৰতিখন আহানৰ কাৰণে একোজন দেউৰী থাকে।

৪) চোৰ পূজাৰ আহানত অনান্য সা-সামগ্ৰীৰ লগতে এটি মাগুৰ মাছ এৰি দিয়া হয়। এইদৰে মাগুৰ মাছ এৰি দিলে বুঢ়া ডাঙৰীয়া সন্তুষ্ট হৈ ৰাইজক মাৰি-মৰকৰ পৰা ৰক্ষা কৰে বুলি শৰণীয়া-কছাৰীসকলে

বিশ্বাস কৰে।

৫) চোৰ পূজা নিশাৰ ভিতৰতে আৰম্ভ কৰি নিশাৰ ভিতৰতে শেষ কৰিব লাগিব। সেইদৰে গাওঁখনৰ প্ৰতিঘৰৰ পৰা কিবা নহয় কিবা চোৰ কৰি আনিব লাগে।

৬) বিবাহিত পুৰুষসকলে এই পূজাত অংশগ্ৰহণ কৰিব পাৰে।

৭) মহিলা আৰু শিশুৰ প্ৰৱেশ নিষেধ।

৮) চোৰ পূজাত ৰাইজৰ বাবে তৈয়াৰ কৰা খাদ্য সামগ্ৰী আৰু চেৰেপ নৈৱেদ্যত দিয়া হয়। সকলোবোৰ উপাচাৰ নৈৱেদ্যত আগবঢ়োৱা হোৱাৰ পিছত পাৰ চৰাই যোৰ এৰি দিয়া নিয়ম।

**ভকতসেৱাৰ লোকাচাৰ ঃ**

১) ভকতসেৱাৰ পূজাৰ সামগ্ৰীসমূহ ব্যৱহাৰ কৰাৰ আগমূহূৰ্তত শুচি কৰা প্ৰক্ৰিয়া আৰম্ভ হয়। এই প্ৰক্ৰিয়াত পূজাত ব্যৱহৃত চেৰাপখিনি শুচি কৰাই লয়। শুচি কৰাৰ পিছত চেৰাপখিনি থুল আৰু মূললৈ আগবঢ়োৱাৰ পিছত ভকতনীসকলে খায়।

২) যিজন ভকতৰ ঘৰত ভকতসেৱাৰ অনুষ্ঠান কৰা হয় সেইঘৰৰ গৃহস্থই আগৰ নিশাৰ পৰা লঘোণ থাকে।

৩) ভকতসেৱাৰ পূজাৰ দিনা পুৰা ঘৰ কাঠি মচি, চিকুনাই পৰিত্ৰ হৈ লয়।

৪) পূজাৰ বাবে অহা ভকত বা মহন্তসকলক গৃহস্থৰ পদূলি পোৱাৰ লগে-লগে পদূলিমুখত আগৰে পৰাই পাৰি থোৱা পীৰাত থিয় হবলৈ দি পানীৰে চৰণ ধুৱাই তেল ঘহাই দিয়ে।

৫) ভকতসেৱাত মদৰ ব্যৱহাৰ বাধ্যতামূলক।

৬) ভকতসেৱাত কুকুৰাৰ মাংস পানীত উতলাই জোল বিশেষ তৈয়াৰ কৰি পূজাত ব্যৱহাৰ কৰা হয়, যাক প্ৰেমৰস বোলে।

৭) ভকতে চৰণ ধুৱা পানীখিনি গৃহস্থই শুভ কামত ব্যৱহাৰ কৰে।

**বাটৰ পূজাৰ লোকাচাৰ ঃ**

বাটৰ পূজাৰ জৰিয়তেও সমাজ তথা পৰিয়ালৰ পৰা অপায়- অমংগল দূৰ হয় বুলি শৰণীয়া-কছাৰীসকলে বিশ্বাস কৰে।

১) এই পূজাত কোনো ধৰণৰ বাদ্য বজোৱা নহয়, হাত চাপৰি মাৰি নাম ধৰা হয়।

২) এই পূজাত দুই বা তিনিগৰাকী দেউৰী থাকে। প্ৰতিগৰাকীয়ে পূজাৰ আগৰাতি অধিবাস খাটিব লাগে।

৩) এই পূজাৰ আহান কেইখন সোঁহাতৰ পৰা বাঁওহাতলৈ দুটা শাৰীত কলৰ দোনাত স্থাপন কৰা হয়।

৪) এই পূজাত মাটিৰ চাকি ব্যৱহাৰ কৰা নহয়। ইয়াত ব্যৱহৃত সকলো চাকিয়েই কলৰ দোনাৰ।

৫) এই পূজাৰ সামৰণিত ফুলেৰে সজ্জিত হৈ থকা ভেলখন তিনিবাৰ পানীত টৌ খেলাই দেউৰীসহ মহিলাসকলে উটুৱাই দি আহোতে পিছলৈ নাচায়।

**বাম্বোলপিটা উৎসৱৰ লোকাচাৰ ঃ**

বাম্বোলপিটা উৎসৱ শৰণীয়া-কছাৰীসকলৰ মাজত অতি জনপ্ৰিয়। এই উৎসৱৰ লগত জড়িত নৃত্য আৰু গীতসমূহ অতি মনোমোহা আৰু সুললিত। এই উৎসৱৰ লগত জড়িত কিছুমান লোকাচাৰ হ'ল-

১) বাম্বোলপিটা উৎসৱৰ দিনা ডেকাহঁতে চুৰিয়া, বগা গেঞ্জী আৰু ডিঙিত মোক্চা লয়।

২) বাম্বোলপিটিব যোৱা ডেকাসকলৰ হাতত প্ৰায় চাৰিহাত দীঘল বাঁহৰ টাঙোন আৰু উখনিমাৰি থাকে। দুয়োডালতে কোবাই-কোবাই তেওঁলোকে নৃত্য-গীত গায়।

৩) বাম্বোলপিটিব যোৱা ডেকাহঁতক সামৰ্থ অনুসৰি গৃহস্থই চাউল আৰু টকা-পইচাৰে মাননি আগবঢ়ায়।

৪) নৃত্য-গীতৰ অন্তত দলটোৱে গৃহস্থক আশীৰ্বাদ দিয়ে।

**নৱান-খোৱা উৎসৱৰ লোকাচাৰ ঃ**

নতুনকৈ কটা ধানেৰে ভাত খোৱা পৰ্বটোক নৱান-খোৱা উৎসৱ বুলি কয়। নৱান-খোৱা উৎসৱ এটি জনপ্ৰিয় পৰিয়ালকেন্দ্ৰিক লোক-উৎসৱ।ইয়াৰ লগত জড়িত কিছুমান লোকাচাৰ হ'ল -

১) নতুন ধানৰ চাউলেৰে গোঁসাইলৈ ভোগ আগবঢ়ায়।

২)নৱান-খোৱাৰ দিনা নতুন ধানৰ বৰা আৰু জহা চাউলৰ ভাত, বুঢ়া কোমোৰাৰে হাঁহৰ মাংস, মাছ, কাঠআলু আদি ব্যঞ্জন ৰান্ধে।

৩) ন-ভাত খোৱাৰ আগমুহুৰ্তত পূৰ্বপুৰুষক সুঁৱৰি তেওঁলোকলৈ বুলি এসাজ ন-ভাত শ্ৰদ্ধাৰে আগবঢ়ায়।

৪) কিছুমান ঠাইত মানুহক ভাত দিয়াৰ আগতে কুকুৰক খাব দিয়ে।

৫) নৱান-খোৱাৰ দিনা গাইগৰুকো গুটিধান খাবলৈ দিয়া হয়।

৬) ন-খোৱা পৰ্ব নোযোৱা পৰ্যন্ত নতুন ধানৰ চাউল অইন কামত ব্যৱহাৰ নকৰে।

**গোচালোৱা উৎসৱৰ লোকাচাৰ ঃ** ( বিশেষ দ্ৰষ্টব্য ঃ পৃ. ১৮২)

**আগঅনা লোকাচাৰ ঃ** ( বিশেষ দ্ৰষ্টব্য ঃ পৃ. ১৮৩)

**কাঁচি উঠা লোকাচাৰ ঃ**

কাঁচি উঠা পৰ্বটি শৰণীয়া-কছাৰীসকলৰ কৃষিকেন্দ্ৰীক ঘৰুৱা লোকউৎসৱ। বছৰটোৰ বাবে যিদিজনাখন ধান কটা শেষ হয় সিদিনাখনক কাঁচিউঠা বুলি কোৱা হয়। এই উৎসৱতো কিছুমান লোকাচাৰ পালন কৰা হয় -

১) কাঁচিউঠাৰ দিনা পথাৰত তিনিগছি ধান এৰা হয়।

২) তিনিগছি ধান একেলগে বান্ধি তাৰে তলৰ ঘাঁহ-বন চাফা কৰি পানীৰে মছি ধান কটা কাচিখন সেই ঠাইত থৈ মা লক্ষ্মীৰ ওচৰত প্ৰাৰ্থনা জনাই ধান কটা কাৰ্যৰ সামৰণি মৰা হয়।

**৬.১.৬ কৃষিকেন্দ্ৰিক লোকাচাৰ ঃ**

শৰণীয়া সমাজখন হৈছে প্ৰধানত কৃষি প্ৰধান সমাজ। শতকৰা ৮০/৮৫ শতাংশ লোকে কৃষিৰ লগত জড়িত। সেয়েহে কৃষিৰ শ্ৰীবৃদ্ধি কামনা কৰিয়েই বহুতো কৃষিকেন্দ্ৰিক লোকাচাৰ শৰণীয়া সমাজত গঢ় লৈ উঠিছে। তলত কৃষিকেন্দ্ৰিক লোকাচাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল -

**৬.১.৬.১ কৃষিকাৰ্যৰ আৰম্ভণিৰ লোকাচাৰ ঃ**

**মুঠিমেলা ঃ**

মুঠিমেলা পৰ্বটো হৈছে শৰণীয়া-কছাৰীসকলৰ কৃষিকাৰ্যৰ আৰম্ভণিৰ কাৰ্য। মুঠিমেলা পৰ্বটোক বিধান সিঁচা বুলিও জনা যায়। শালিখেতিৰ বীজ সিঁচা পৰ্বটোকে 'মুঠিমেলা দিন' বুলি কয়। মুঠিমেলাৰ দিনা শৰণীয়া-কছাৰীসকলে কিছুমান লোকাচাৰ পালন কৰা দেখা যায়। উদাহৰণ স্বৰূপে -

১) আহু খেতিৰ বাবে মাঘ মাহৰ শনি বা মংগলবাৰে আৰু শালি খেতিৰ বাবে শাওন মাহৰ দেওবাৰ বা বৃহস্পতিবাৰে হালবোৱা আৰম্ভ কৰাটো নিয়ম।

২) একাদশী, পূৰ্ণিমা আৰু অমাৱশ্যাৰ দিনা হালবোৱা নহয়। হাল বাব লাগিলে গৰু আৰু খেতিৰ অনিষ্ট হয় বুলি বিশ্বাস কৰে।

৩) মুঠি মেলাৰ দিনাও দিন-বাৰ চোৱা হয়। সাধাৰণতে শনি, মংগলবাৰে আহুধান আৰু দেওবাৰ, গুৰুবাৰে শালিধান সিচাঁ হয়।

৪) একাদশী, পূৰ্ণিমা আৰু মৰআঁউসীত মুঠিমেলাৰ শুভাৰম্ভ নকৰে।

৫) পৰাম্পৰাগত নিয়ম অনুসৰি মুঠিমেলাৰ আগৰাতি সিচোঁতাজনে ৰাতি লঘোন থকাটো নিয়ম।

৬) মুঠিমেলাৰ দিনা পৰিয়ালৰ সকলোৱে নিৰামিষ আহাৰ খাব লাগে। অৱশ্যে কোনো কোনো ঠাইত পাৰৰ মাংস আৰু কচুৰ আঞ্জা খায়।

৭) শালিধানৰ গছা অৰ্থাৎ গজালি নোলোৱা পৰ্যন্ত বীজ সিঁচা কৃষক জনে দাৰি-চুলি কাটিব নাপায়।

**গছালোৱা প্ৰথা ঃ**

মুঠিমেলাৰ পিছৰ পৰ্বটোৱে হৈছে গছালোৱা প্ৰথা। যাক গোছালোৱা বুলি জনা যায়। ধানৰ বীজ সিঁচাৰ পিছতে অংকুৰিত হোৱা ধানৰ গজালি উভালি আনি অইন ঠাইত ৰোপন কৰা পৰ্বটোৱে হৈছে গোছালোৱা প্ৰথা। পথাৰত কঠীয়াৰ বাবে বীজ সিঁচে। বীজৰ গজাঁলি ওলাই পুৰঠ হৈ উঠাৰ লগে লগে ভুঁই ৰোৱাৰ বাবে পথাৰৰ মাটি চহ কৰি প্ৰস্তুত কৰি তোলে কৃষকসকলে। বিভিন্ন আচাৰ-অনুষ্ঠানৰ মাজেৰে গছালোৱা প্ৰথাৰ আৰম্ভণি আৰু সামৰণি ঘটে। উদাহৰণ স্বৰূপে -

১) হাল গুজাৰ আগদিনা হালোৱাজনে ৰাতি লঘোন খাতিব লাগে।

২) হাল গুজাৰ দিনা পৰিয়ালৰ সকলোৱে নিৰামিষ আহাৰ খায়।

৩) আহু গোছাৰ বাবে শনি বা মংগলবাৰে আৰু শালি গোছাৰ বাবে দেওবাৰ বা গুৰুবাৰে গোছা লোৱা হয়।

৪) গোছা লোৱাৰ দিনা কলপুলি, তুলসীৰ পুলি,দেৰী টোকোনৰ পুলি, ঢেকীয়া গছ, কচুগছ, চাওগছৰ ডালসহ পাত, ফুলৰ মালা, তামোল, পান, গাজি,শলা, বন্তি আদি পথাৰলৈ লৈ যোৱাটো নিয়ম।

৫) হাল গুজাৰ দিনা লগত লৈ যোৱা সম্ভাৰৰ ভিতৰত তুলসী, কলপুলি বা দেৰী টোকোনৰ পুলি ৰুই তাৰ তলত নৈবদ্য দি লগত নিয়া আন আন সম্ভাৰসমূহ চাৰিওফালে ৰুই দিয়াটো নিয়ম।

৬) হাল গুজাৰ ক্ষেত্ৰত থকা আন এটি নিয়ম হ'ল যে প্ৰথমে ঘৰৰ গৃহস্থনীয়ে হাতত কঠীয়া লৈ নিজৰ বাওহাতেৰে তিনি, পাচ বা সাত গোছ ৰুৱাৰ পিছত সোহাতেৰে ৰুৱে। লগে লগে আন ৰুৱনীসকলেও কঠীয়া ৰুৱা আৰম্ভ কৰে।

৭) নৈৱেদ্যৰ ওচৰৰ পৰা বোকা কলহত বা কোচত আনি প্ৰথমে গৃহস্থনীয়ে ভড়ালত লেপি দিয়ে। তাৰ

পিছত অন্যান্যসকলে দিয়ে।

**ভাখেৰী বন্ধা প্ৰথা ঃ**

গছালোৱা প্ৰথাৰ পিছৰ পৰ্বটোৱে হৈছে ভাখেৰী বন্ধা প্ৰথা বা হাল উঠা পৰ্ব। হালবোৱা আৰু কঠীয়া ৰোৱা শেষ হোৱাৰ অন্তিম দিনটোৱে হৈছে হালউঠা দিন। হালউঠাৰ দিনা খেতিপথাৰৰ এটি চুকত ধেনুভেৰীয়াকৈ আলি বান্ধি দিয়া হয়। এই আলিটো বোকাৰে বান্ধি দিয়া হয়। আলিবন্ধা ঠাইখিনিত ৰোৱনীয়ে কঠীয়াৰ এটি ডাঙৰ মুঠি ৰুই দি তাৰ মাজত বোকাৰে দুভাগ কৰি চাৰিওফালে বিযুৰীয়া সংখ্যক কঠীয়াৰ মুঠি ঘনকৈ ৰুই দিয়ে। ইয়াক ভাখেৰী বান্ধা বুলি কয়। এই সময়খিনিটো কিছুমান লোকাচাৰ পালন কৰা দেখা যায়। সেইবোৰ হ'ল -

১) হাল উঠাৰ দিনা ৰোৱনীসকলে ৰুৱা শেষ কৰা দবলাৰ যিকোনো এঠাইত ভাখেৰী বান্ধে।

২) ৰোৱনীসকলে বৰ্গাকাৰ বা চক্ৰাকাৰে বোকাৰে আলি বান্ধি সেই আলিত পাচ, সাত বা নও গোছ কঠীয়া ৰুই দিয়ে।

৩) ঘৰৰ সোঁমাজত কিছু ডাঙৰকৈ গৃহস্থনীয়ে একগোছ ৰুই দিয়াৰ পাছত সকলোৱে লক্ষ্মীক আৰধনা কৰি ভুঁইৰুৱা কাৰ্যৰ সামৰণি মাৰে।

৪) পৰাম্পৰাগত নিয়ম অনুসৰি আঘোণ মাহৰ শুক্লপক্ষৰ একাদশী তিথিৰ আগতে সকলো গাঁৱৰলোকে হাল উঠা চৰু ধুই শেষ কৰাটো নিয়ম।

**৬.১.৬.২ কৃষিকাৰ্যৰ সামৰণিৰ লোকাচাৰ ঃ**

**আগঅনা প্ৰথা ঃ**

কৃষি চপোৱাৰ সময়ত কৰা অনুষ্ঠানটোৱে হৈছে আগঅনা প্ৰথা। আগঅনাৰ দিনাৰ পৰা ধান কাটি সামৰণি মৰা হয়। আগঅনাৰ সময়তো কিছুমান লোকাচাৰ পালন কৰা হয়।

১) শৰণীয়া-কছাৰীসকলে কৃষ্ণপক্ষৰ একাদশী আৰু মৰআঁউসী তিথি বাদ দি বাকী যিকোনো তিথিৰ দেওবাৰ বা গুৰুবাৰে ধানৰ আগ আনে।

২) ধানৰ আগ আনিবলৈ যাওঁতে আৰু আনোতে আনোতাজনে পিছলৈ ফিৰি চাব নাপায় আৰু কাৰো সতে কথা পাতিব নাপায়।

৩) আগ আনিবলৈ যোৱা লোকজনে গা-ধুই উঠি, তিতা কাপোৰেৰে হাতত কাচি, আগলতি কলপাত,

তামোল-পান, শলা-বন্তি আদি লৈ ধাননি পথাৰলৈ যায়।

৪) ইষ্ট দেৱীক স্তুতি কৰি শলা-বন্তি জ্বলাই সেৱা কৰে।

৫) ইষ্ট দেৱীক আৰাধনা কৰি বিযুৰীয়াসংখ্যক ধানৰ চোপৰ পৰা আগ কাটি আনি ভাখেৰী ঘৰত থয়।

৬) আগঅনাৰ পিছতে শৰণীয়া-কছাৰীসকলে শালিধান চপোৱাৰ কাম আৰম্ভ কৰে।

৭) আগঅনা ধানৰ কেইটামান চাউল নৱান খোৱাৰ দিনা নৈৱদ্যত ব্যৱহাৰ কৰা হয়।

৮) কোনো কোনো ঠাইত আগঅনাৰ দিনা চোতাল ঘৰত নতুন ধানৰ গুৰা খুন্দি পানীৰ লগত মিহলাই চটিয়াই দিয়া হয়।

**ন-খোৱা পৰ্ব ঃ**

ন-খোৱা পৰ্বটোও কৃষিকেন্দ্ৰীক পৰ্বৰ সামৰণিত পতা অনুষ্ঠান। শালিধান চপোৱাৰ অন্তত পালন কৰা পৰিয়ালকেন্দ্ৰীক কৃষিভিত্তিক লোক পৰম্পৰাটোৱে হৈছে ন-খোৱা পৰ্ব। আঘোণ মাহৰ ৯ তাৰিখে ন-ধানৰ ভাত খালে নটা ভঁৰাল হয় বুলি শৰণীয়া কছাৰীসকলে বিশ্বাস কৰে। এই নখোৱা পৰ্বত তেওঁলোকে ন-ভাতৰ বাবে বৰা আৰু জহা চাউলৰ লগতে বুঢ়া কোমোৰা, হাঁহৰ মাংস, কাঠআলু আদিৰ ব্যঞ্জন কৰে। তদুপৰি ইষ্ট-কুটুম্বক ন-খোৱা পৰ্বলৈ নিমন্ত্ৰণ জনায়। সেইদিনা কৃষি সঁজুলিসমূহক পূজা অৰ্চনা কৰাৰ লগতে গাই গৰুকো এমুঠি ভাল ধান খাবলৈ দিয়া হয়। সিদিনাখন মহিলাসকলে ন-খোৱা গীত গাই নৃত্য প্ৰদৰ্শন কৰে।

এনেধৰণৰ বিভিন্ন কৃষিকেন্দ্ৰীক লোকাচাৰসমূহে শৰণীয়া-কছাৰী সমাজখনক অধিক সুশৃংখলিত আৰু সুদৃঢ় কৰি তুলিছে। লোকাচাৰসমূহ এখন সুস্থ সমাজৰ বাবে অতি প্ৰয়োজনীয়। লোকাচাৰসমূহে সমাজখনত বাস কৰা মানুহখিনিক পৰিশীলিত আৰু পৰিমাৰ্জিত কৰি তোলে। এখন সংস্কাৰযুক্ত তথা সংস্কৃতিবান সমাজ গঢ়াৰ কাৰণে লোকাচাৰসমূহ অতিকে প্ৰয়োজনীয়। কেৱল সেই লোকাচাৰসমূহ সংস্কাৰ যুক্ত হ'ব লাগিব। অৱশ্যে পৰিৱৰ্তিত সমাজৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক লোকাচাৰসমূহ পৰিৱৰ্তিত হয়। তথাপিও তাৰ মাজতে সংস্কাৰযুক্ত লোকাচাৰসমূহ যুগ-যুগ ধৰি চলি থাকে।

### ৬.১.৭ লোক-বিশ্বাস ঃ

লোক-বিশ্বাসসমূহ হৈছে লোকসংস্কৃতিৰ এটি অন্যতম উপাদান। লোক-বিশ্বাসসমূহৰ মাজেৰে এখন সমাজৰ লোকসংস্কৃতিৰ প্ৰতিফলন ঘটা দেখা যায়। জনসাধাৰণৰ মাজত পৰম্পৰাগতভাবে যিবোৰ

বিশ্বাস চলি আহিছে সেইবোৰেই লোক-বিশ্বাস। লোক-বিশ্বাসসমূহ ঐতিহ্যগত আৰু স্থিতিশীল। লোক-বিশ্বাসসমূহ যুক্তিনিৰ্ভৰ নহয়, পৰম্পৰাশ্ৰয়ীহে। এইবোৰ সম্পূৰ্ণভাবে বিজ্ঞানসন্মত নহয় যদিও কিছুমান লোকবিশ্বাসৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগীও থকা দেখা যায়। সৰ্বাংগীন মংগল কামনাৰে লোকসমাজত লোক-বিশ্বাসসমূহৰ সৃষ্টি হৈছিল। লোক-বিশ্বাসৰসমূহৰ লগত পায় আৰু নাপায় শব্দদুটা ওতঃপ্ৰোতভাবে জড়িত হৈ থকা দেখা যায়। বহু যুগৰ সাক্ষী লোক-বিশ্বাসসমূহ বাস্তৱ অভিজ্ঞতাৰ ফলশ্ৰুতি মাথোন। মানৱ সমাজে বিভিন্ন ক্ষেত্ৰত পোৱা সুবিধা অসুবিধাসমূহৰ ভিত্তিতেই সৃষ্টি হৈছিল লোক-বিশ্বাসসমূহ। এই লোক-বিশ্বাসসমূহক লোকসমাজত কটকটীয়াকৈ মনাবলৈ ইয়াৰ লগত সংযোগ কৰি দিয়া হৈছিল পায় আৰু নাপায় শব্দ দুটা। যাৰ কাৰণে কেতিয়াবা নাপায়ৰ মাজত থকা লোক-বিশ্বাসসমূহে সমাজৰ উন্নতিত বাধা নিদিয়াকৈও থকা নাই। কাৰণ লোক-বিশ্বাসসমূহৰ বেছিভাগেই বিজ্ঞানসন্মত নহয়। অৱশ্যে এই লোক-বিশ্বাসসমূহে সমাজ এখন শৃংখলিত হৈ থকাতো অৰিহনা যোগায়। লোক-বিশ্বাসৰ লগত লোকাচাৰৰ সম্পৰ্ক ওতঃপ্ৰোত। মানুহৰ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত সৃষ্টি হোৱা লোকবিশ্বাসে পৰৱৰ্ত্তী পৰ্য্যায়ত লোকসংস্কাৰৰ মাজেৰে আহি লোকাচাৰ নাম পায়। অৰ্থাৎ লোক-বিশ্বাসসমূহৰ মাজতে লোকাচাৰ সোমাই থাকে। শৰণীয়া-কছাৰী সমাজখনো বিভিন্ন লোক-বিশ্বাসেৰে ভৰপুৰ। বিভিন্ন দিশৰ লগত জড়িত বিভিন্ন লোক-বিশ্বাসসমূহৰ কিছুমান যুক্তিনিষ্ঠ আৰু কিছুমান যুক্তিহীন। তথাপিও শৰণীয়া সমাজত প্ৰচলিত লোক-বিশ্বাসসমূহে সমাজখন পৰিশীলিত আৰ পৰিমাৰ্জিত কৰি ৰখাত সহায় কৰি আহিছে। তদুপৰি লোক-বিশ্বাসসমূহৰ মাজেৰে শৰণীয়া সমাজখনৰ সামাজিক লোকাচাৰ সমূহৰ বিষয়ে গম পোৱা যায়। শৰণীয়া-কছাৰীসমাজত প্ৰচলিত লোক-বিশ্বাসসমূহক আলোচনাৰ সুবিধাৰ কাৰণে তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি -

**প্ৰাকৃতিক লোক-বিশ্বাস ঃ**

প্ৰাকৃতিক ঘটনা আৰু পৰিঘটনাই প্ৰাচীন কালৰে পৰা লোকসমাজক আনন্দ আৰু বিষাদ দি আহিছে। প্ৰকৃতিত পোৱা বিভিন্ন উপাদান যেনে - গছ-গছনি, নদী-পৰ্বত আদিয়ে মানৱ জাতিক সহায় কৰি অহাৰ লগতে কেতিয়াবা বিবুধিতও পেলায়। সেয়েহে এইবোৰক তুষ্ট কৰিবলৈও আৰু সাম্ভাব্য বিপদৰ পৰা বাচিবৰ কাৰণেও বিভিন্ন লোক-বিশ্বাসৰ সৃষ্টি হৈছে। শৰণীয়া সমাজত চলি থকা কিছুমান লোক-বিশ্বাস হ'ল -

১) শৰণীয়া-কছাৰীসকলে যিকোনো মাংগলিক কাৰ্যত অলপ হলেও বৰষুণ দিয়াতো শুভ বুলি ভাবে।

২) শনিবাৰে বৰষুণ হলে সাতদিন আৰু মঙ্গলবাৰে বৰষুণ হলে তিনিদিন থাকে বুলি শৰণীয়া সমাজে বিশ্বাস কৰে।

৩) ফৰকাল ৰাতি চন্দ্ৰৰ চাৰিওফালে ৰ'দৰ আভা দেখিলে বতৰ খৰাং হয় বুলি বিশ্বাস কৰে।

৪) পাখি গজা উঁই পৰুৱা সন্ধিয়া ওপৰলৈ উৰিলে বৰষুণ হয় বুলি বিশ্বাস কৰে।

৫) ভূমিকম্পৰ পিছত বৰষুণ হয় বুলি তেওঁলোকে বিশ্বাস কৰে।

৬) একাদশী, পুৰ্ণিমা, অমাৱশ্যা, দোমাহী-তিথিত হালবালে হালোৱা আৰু গৰুৰ অমংগল হয় বুলি বিশ্বাস কৰে।

৭) বতৰ খৰাং হলে ভেকুলীৰ বিয়া পাতিলে বৰষুণ হয় বুলি বিশ্বাস কৰে।

৮) বজ্ৰপাত পৰি মৃত্যু হোৱা ব্যক্তিসকলে মুক্তি নাপায় আৰু ভুত হৈ ঘুৰি ফুৰে বুলি বিশ্বাস কৰে।

৯) সৌৰা বা ক'ৰাচ গছত যখিনী থাকে কাৰণে তেনে গছত চৰগ পৰে বুলি তেওঁলোকে বিশ্বাস কৰে।

**জীৱ-জন্তু সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

১) কাৰোবাৰ চোতালত কুকুৰে আগ ঠেংেৰে বাৰে-বাৰে আচুৰিলে গৃহস্থৰ সাংঘাতিক অমংগল হয় বুলি তেওঁলোকে বিশ্বাস কৰে।

২) মাজনিশা কাৰোবাৰ চোতালত কুকুৰে ৰাউচি পাৰি দীঘল-দীঘলকৈ চিঞৰিলে সেই গৃহস্থৰ বিপদ হোৱাটো নিশ্চিত।

৩) ৰাতি কাৰোবাৰ চোতালত শিয়ালে হোৱা দিলে নাইবা মল ত্যাগ কৰিলে সেইঘৰ গৃহস্থৰ অমংগল হয় বুলি বিশ্বাস কৰে।

৪) যাত্ৰা পথত মেকুৰীয়ে সন্মুখেৰে পাৰ হৈ গলে সেই যাত্ৰা বিপদজনক বুলি ভাবে।য

৫) যোৱালগা সাপৰ গাত নতুন বস্ত্ৰ দি সেই বস্ত্ৰ ঘৰত ৰাখিলে সৰ্পই কেতিয়াও দংশন নকৰে বুলি বিশ্বাস কৰে।

৬) ফেউৰা শিয়ালে হোৱা দিলে বা কেকোঁৰাই মাটিৰে নিজৰ মুখ বন্ধ কৰিলে বহুদিনলৈ বৰষুণ নহয় বুলি বিশ্বাস কৰে।

৭) উঁই জাকে-জাকে উৰিলে, ৰঙা আৰু কলা গুৰি পৰুৱাই মুখত বগা ভাতলৈ লানি ধৰিলে, গাঁতৰ ভিতৰত ভেকুলীয়ে টোৰ-টোৰালে, গাঁতৰ কেচু ওলালে বানপানী হয় বা বহুদিন বৰষুণ নহয় বুলি বিশ্বাস কৰে।

৮) জাকে-জাকে কাকতী ফৰিং উৰিলে দেশত দুৰ্ভিক্ষ হয় বুলি বিশ্বাস কৰে।

৯) ৰাতি গোহালীঘৰত গৰুৱে চট ফটালে গাঁৱত মহামাৰী হয় বুলি বিশ্বাস কৰে।

১০) কথা কৈ থকাৰ মাজত জেঠীয়ে টিক-টিকালে কওঁতাজনে সইত-সইত বুলি কৈ কথাটোৰ সত্যতা আছে বুলি বিশ্বাস কৰে।

**চৰাই সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

১) এটা শালিকা চৰাই দেখিলে সেইদিনা কাৰোপৰা মৰম-চেনেহ পোৱা নাযায় বুলি শৰণীয়াসকলে বিশ্বাস কৰে।

২) কাৰোবাৰ ঘৰৰ মুধচত ফেঁচা পৰিলে অথবা ঘৰৰ ওচৰত ফেঁচাই নিউ-নিউ কৈ মাতিলে সেইঘৰ গৃহস্থৰ কাৰোবাৰ মৃত্যু হয় বুলি বিশ্বাস কৰে।

৩) শগুন, কাউৰী বা চিলনী উৰি যাওতে যদি কাৰোবাৰ চোতালত মাংস, হাড় আদি পেলাই থৈ যায় তেতিয়া গৃহস্থৰ অমংগল হয় বুলি বিশ্বাস কৰে।

৪) কাৰোবাৰ ঘৰত কাউৰীয়ে কা-কা কৰি মাতিলে আলহী আহে বুলি অথবা কাৰোবাৰ ঘৰত অমংগল হয় বুলি বিশ্বাস কৰে।

৫) মাজনিশা কুকুৰা চৰায়ে ডাক দিলে গৃহস্থৰ অমংগল হয় বুলি বিশ্বাস কৰে।

৬) কাৰোবাৰ ঘৰত মৌৱে বাহ ললে গৃহস্থৰ সৌভাগ্য উদয় হয় বুলি বিশ্বাস কৰে।

৭) চোতালত কুকুৰাই যুঁজিলে আলহী অহাৰ চিন।

**চোতাল সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

১) চোতাল ৰাতিপুৱা হোৱাৰ লগে-লগে সৰাটো নিয়ম। বাহী চোতাল গচকিলে পুৰুষৰ আয়ুস টুটে বুলি বিশ্বাস কৰে।

২) সন্ধিয়া হোৱাৰ আগেয়ে চোতাল সাৰিব লাগে বুলি বিশ্বাস কৰে। গৰু বন্ধাৰ পিছত চোতাল সাৰিব নাপায় বুলি বিশ্বাস কৰে।

৩) শগুনে চোতালত বমি কৰিলে গৃহস্থৰ অমংগল হয় বুলি বিশ্বাস কৰে।

৪) চোতালৰ মাজেৰে মাটিৰ ভাৰ বা গোবৰৰ ভাৰ কান্ধত লৈ যাব নাপায় বুলি বিশ্বাস কৰে।

৫) চোতালৰ মাজেৰে কান্ধত কোদাল, কুঠাৰ লৈ অহা যোৱা কৰিলে গৃহস্থৰ কোনো ব্যক্তিৰ মৃত্যুৰ

সংকেত দিয়ে বুলি বিশ্বাস কৰে।

৬) চোতালৰ মাজেৰে ডালবাঁহ কান্ধত লৈ যাব নাপায়।

**যাত্ৰা সম্বন্ধীয় লোক-বিশ্বাস ঃ**

১) কোনো শুভ কামত যাত্ৰা কৰোতে বাটত মৰাশ দেখিলে মংগল হয় বুলি বিশ্বাস কৰে।

২) কইনাৰ ঘৰত কইনাজনীয়ে কপোৰ বৈ থকা দেখিলে মংগল বুলি বিশ্বাস কৰে।

৩) শুভ কামত যাত্ৰা কৰিলে মৰাশ শ্মশানত থৈ ঘূৰি অহা দেখিলে বেয়া।

৪) যাত্ৰা কালত মাকে পিছফালৰ পৰা মাতিলে ভাল কিন্তু পত্নীয়ে মাতিলে বেয়া।

৫) যাত্ৰাকালত পানী নিব অহা তিৰোতা দেখিলে ভাল।

৬) যাত্ৰা কৰিব ওলাই খালী বাল্টি দেখিলে বেয়া।

**সপোন সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

১) সপোনত ঔষধ পোৱা ভাল। সেই ঔষধ ফলদায়ক বুলি বিশ্বাস কৰে।

২) সপোনত হঁহা দেখিলে বেয়া।

৩) সপোনত জীৱ-জন্তুৱে খেদিলে আৰু সাপে কামুৰিলে বেয়া।

৪) সপোনত কান্দিলে আৰু পুঠিমাছ ধৰা দেখিলে পইচা পায় বুলি বিশ্বাস।

৫) সপোনত গো-মাংস খোৱা দেখিলে ভাল।

৬) সপোনত দাঁতসৰা দেখিলে আত্মীয়ৰ বিপদ হব পাৰে বুলি বিশ্বাস কৰে।

৭) সপোনত নিজৰ ঘৰত জুইলগা দেখিলে আনৰ ঘৰত জুই লাগে বুৰি বিশ্বাস কৰে।

৮) সপোনত হাতীয়ে খেদিলে মংগল। ধন-সম্পত্তি লাভ কৰে বুলি বিশ্বাস।

**খোৱা-লোৱা সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

শৰণীয়া সমাজত খোৱা-লোৱা সম্পৰ্কে অনেক লোক-বিশ্বাস আছে। এই লোক-বিশ্বাসসমূহৰ মাজত অনেক বিজ্ঞানসন্মত দিশো আছে। লোক-বিশ্বাসসমূহৰ লগত 'নাপায়' শব্দৰ সংযোজনে বিশ্বাসটো মনাবলৈ জনসাধাৰণক বাধ্য কৰায়। তলত শৰণীয়া সমাজত থকা খোৱা-লোৱা সম্পৰ্কীয় লোক-বিশ্বাস সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল -

১) মানুহে খাদ্য গ্ৰহণ কৰি থকা সময়ত জিভা উলিয়াই তৰ্জনি আঙুলি পোন কৰি আহাৰৰ বস্তু জিভাত পেলাই দি আহাৰ গ্ৰহণ কৰিব নাপায়। তেনে কৰিলে মানুহ দৰিদ্ৰ হয় বুলি বিশ্বাস কৰে।

২) আহাৰ খোৱাৰ সময়ত ঢেকী, বাঁহী আৰু শাল বব নাপায় বুলি বিশ্বাস কৰা হয়। এনে কৰিলে খাওঁতাৰ দাঁত সৰে বুলি বিশ্বাস কৰা হয়।

৩) ভাত খাই উঠি ভাতৰ পাতত হাতৰ ভৰ দি উঠিব নাপায়। তেনে কৰিলে মানুহ দৰিদ্ৰ হয় বুলি বিশ্ব কৰে।

৪) খাদ্য খাই থকা সময়ত যদি ডিঙিত গাঁঠি লাগে তেতিয়া কোনোবাই মনত পেলোৱা বুলি বিশ্বাস কৰে।

৫) খাদ্য খাই থাকোতে দাঁতেৰে জিভা কামোৰ খালে কোনোবাই হিংসা কৰে বুলি বিশ্বাস কৰে।

৬) গিৰিয়েকতকৈ ঘৈনীয়েকে আগতে ভাত খালে গিৰিয়েকৰ আয়ুস টুটে বুলি বিশ্বাস কৰে।

৭) কণ নথকা তামোল খালে মানুহ বজা হয় বুলি বিশ্বাস কৰে।

৮) যজাঁ ফল খালে মানুহৰ যজাঁ সন্তান হয় বুলি বিশ্বাস কৰে।

**নিষেধ সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

নিষেধ সম্পৰ্কীয় লোক-বিশ্বাস মানে হৈছে নাপায় সম্পৰ্কীয় লোক-বিশ্বাস। শৰণীয়া সমাজত প্ৰচলিত প্ৰায়ভাগ লোক-বিশ্বাসৰ মাজতে বিচাৰিলে নিষেধ সম্পৰ্কীয় লোক-বিশ্বাস থকা দেখা যায়। তাৰে কিছুমান বিজ্ঞানসন্মত আৰু কিছুমান যুক্তিহীন তথা বিজ্ঞানহীন। অৱশ্যে শৰণীয়া সমাজত থকা নিষেধ সম্পৰ্কীয় লোক-বিশ্বাসবোৰৰ লগত অসমৰ আন জাতি-জনজাতিৰ মাজত থকা নিষেধ সম্পৰ্কীয় লোক-বিশ্বাসৰ লগত মিল থকা দেখা যায়। প্ৰতিটো লোক-বিশ্বাসৰ মাজতে নাপায় ধাৰণা সংযোগ কৰি দিয়া হয়, যাতে সমাজৰ সকলোৱে মানি চলে। তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল -

১) পূৰ্ণিমা আৰু মৰআঁউসীত মাছ-মাংস খাব নাপায়।

২) ৰান্ধনীঘৰত জোতা-চেণ্ডেল নিব নাপায়।

৩) ঘৰ-চোতাল সাৰি জাঁৱৰ-জোথৰ দমাই থব নাপায়।

৪) কোৰৰ আগত, কুঠাৰৰ কাষত, চাচৰ ফালত থাকিব নাপায়।

৫) ৰাতি ডাঙৰ গছৰ তলত শুব নাপায়।

৬) ৰান্ধনীঘৰত কুকুৰ, শিয়াল সোমালে চৰু-হাড়ি নোধোৱাকৈ ভাত খাব নাপায়।

৭) ঘৰৰ কাষত ওখ গছ থাকিব নাপায়।

৮) যাত্ৰাৰ সময়ত কণী খাব নাপায়।

৯) গৰম চাহ্ খাই লগে লগে ঠাণ্ডা পানী খাব নাপায়।

১০) মাছ-মাংস, দৈ একেলগে খাব নাপায়।

১১) নিজৰ তেজৰ সম্পৰ্কত বিয়া হ'ব নাপায়।

১২) ৰাতি কোনোবাই মাতিলে লগে-লগে মাত দিব নাপায়।

১৩) খোৱাৰ সময়ত কথা কব নাপায়।

বৰ্তমান সময়ত এই লোক-বিশ্বাসসমূহৰ গুৰুত্ব তথা প্ৰয়োজনীয়তা নাইকিয়া হৈ পৰিছে যদিও ইয়াৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। বিজ্ঞানসন্মত দৃষ্টিভংগীৰে বিচাৰ কৰি চালে উল্লেখিত লোক-বিশ্বাস, ৰীতি-নীতি আদিৰ মাজত গভীৰ সত্যতা লুকাই আছে। কেবল সমাজে সংস্কাৰযুক্ত বিশ্বাস আৰু আচৰণখিনিকহে আকোঁৱালি লব লাগিব।